# মামণি ৰয়ছম গোস্বামীৰ একাদশ মৃত্যু দিৱস



অনুষ্ঠানত ভাষণৰত ড° ৰীতা চৌধুৰী

অসম সাহিত্য সভাই নুমলীগড় ৰিফাইনেৰী লিমিটেডৰ সহযোগত যিগৰাকী মহীয়সী সাহিত্যস্রষ্টাৰ সোঁৱৰণত ৰাষ্ট্ৰীয় সাহিত্য বঁটা প্ৰদান কৰি আহিছে সেইগৰাকী স্বনামধন্য লেখিকা মামণি ৰয়ছম গোস্বামীৰ একাদশ মৃত্যু দিৱসৰ দিনা অৰ্থাৎ ২৯ নৱেম্বৰ, ২০২১ খ্ৰীষ্টাব্দ তাৰিখে ৰঙিয়া আলোচনী সভাৰ সহযোগত অসম সাহিত্য সভাই ৰঙিয়াৰ শিশুৰাম লহকৰ ভৱনত অনুষ্ঠিত কৰে সভাৰ অন্যতম কেন্দ্ৰীয় অনুষ্ঠান মামণি ৰয়ছম গোস্বামী স্মৃতি দিৱস। দিনযোৰা অনুষ্ঠান আৰম্ভ হয় ৰঙিয়া আলোচনী সভাৰ সভাপতি অকন চন্দ্ৰ ডেকাই কৰা পতাকা উত্তোলনেৰে। ইয়াৰ পিছত মামণি ৰয়ছম গোস্বামীৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্জ্বলন কৰে ৰঙিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অৱসৰী অধ্যক্ষ হৰেন্দ্ৰনাথ শৰ্মাই। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা আন এগৰাকী আছিল অসম লেখিকা সমাৰোহ সমিতিৰ ৰঙিয়া শাখাৰ সভানেত্ৰী গৌৰীপ্ৰভা মহন্ত।

দিনৰ ১১-০০ বজাত মুকলি সভা আৰম্ভ হয় অসম লেখিকা সমাৰোহ সমিতিৰ ৰঙিয়া শাখাৰ শিল্পীসকলে পৰিৱেশন কৰা সভাৰ আৰম্ভণি গীত 'চিৰ চেনেহী মোৰ ভাষা জননী...'ৰে। সভাৰ মাননীয় সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত এই মুকলি সভাত উদ্দেশ্য ব্যাখ্যা কৰে সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই আৰু আদৰণি ভাষণ পাঠ কৰে আদৰণি সমিতিৰ সভাপতি পবিত্ৰ কুমাৰ কলিতাই। সভাখনি উদ্বোধন কৰে অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য, বিশিষ্ট লেখক থানেশ্বৰ মালাকৰে। অনুষ্ঠানত উপস্থিত থকা একাধিক বৰেণ্য ব্যক্তিৰ ভিতৰত উল্লেখযোগ্য হ'ল—সাহিত্য একাডেমি বঁটা বিজয়ী ৰীতা চৌধুৰী (মুখ্য অতিথি), প্ৰসিদ্ধ সাহিত্য-গৱেষক ড° উমেশ ডেকা (নিৰ্দিষ্ট বক্তা) আৰু সাহিত্য একাডেমি বঁটা বিজয়ী গল্পকাৰ ডাঃ অপূৰ্ব কুমাৰ শইকীয়া (বিশিষ্ট অতিথি)। তিনিওগৰাকী অতিথিয়ে মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতিত্ব সম্পৰ্কে চিন্তাগধূৰ ভাষণেৰে সমবেত ৰাইজক আপ্লুত কৰে। সভাৰ সভাপতি ড° শইকীয়াই তেওঁৰ ভাষণত নতুন প্ৰজন্মক মামণি ৰয়ছম গোস্বামীৰ ৰচনাসমূহ অধ্যয়ন কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে মামণি ৰয়ছম গোস্বামীৰ ৰচনাত নতুন প্ৰজন্মক সমাজ-জীৱন আৰু মানৱীয় মূল্যবোধ সম্পৰ্কে সচেতন কৰিব পৰা সমল অন্তৰ্নিহিত।

সভাত আমন্ত্ৰিত অতিথিৰূপে গ্ৰন্থ উন্মোচন কাৰ্যসূচীত অংশগ্ৰহণ কৰি দুআষাৰ কয় শিশু সাহিত্য একাডেমি বঁটা বিজয়ী সাহিত্যিক যুগললোচন দাস আৰু ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° পাৰ্থফুকন মহন্তই। উন্মোচিত গ্ৰন্থসমূহৰ লিখকসকল হ'ল — ডিম্বেশ্বৰ বৰুৱা, পবিণ কলিতা, চন্দন কলিতা, কমলাকান্ত কলিতা আদি। অনুষ্ঠানত মামণি ৰয়ছম গোস্বামীৰ বহুলভাৱে সমাদৃত গল্প 'সংস্কাৰ' ভিত্তিত এখনি চুটি কথা নাট পৰিৱেশন কৰে দ্বিজেন্দ্ৰমোহন শৰ্মা, ৰাজেন দাস আৰু মুস্তাফা কামাল আহমেদে। তিনিগৰাকী আবৃত্তিকাৰ যেনে নীলাক্ষী শৰ্মা, হৃষীকেশ কলিতা আৰু সঞ্চিতা বড়োৱে মামণি ৰয়ছম গোস্বামীৰ কবিতাৰ আবৃত্তি পৰিৱেশন কৰে। লগতে, স্ব-ৰচিত কবিতা আবৃত্তি কৰে লভিতা মেধিয়ে।

০-০-০-০